জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৬/২০২১**

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰ্যালোচনা কৰি বান প্ৰস্তুতিৰ সবিশেষ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

# বানাক্ৰান্তসকললৈ তাৎক্ষণিকভাৱে সাহায্য প্ৰদানৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৯ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি আগন্তুক বাৰিষা কালৰ বাবে বিভাগে লোৱা প্ৰস্তুতিৰ বিতং বুজ লয়।

জিলা প্ৰশাসনসমূহে বানাক্ৰান্তসকলৰ বাবে কাপোৰ-কানি, বাচন-বৰ্তন তথা অন্যান্য দৰকাৰী সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত পুঁজি আৱণ্টনৰ বিলম্বতাৰ দিশটো উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বানাক্ৰান্তসকলৰ বাবে এই পুঁজি আৱণ্টন যাতে খৰতকীয়াকৈ হয় তাৰ বাবে জিলা উপায়ুক্তসকলৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিৱিৰৰ সংজ্ঞাৰ পৰিসৰ বৃদ্ধিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে যাতে আশ্ৰয় শিৱিৰৰ আৱাসীসকলকে ধৰি বান ক্ষতিগ্ৰস্ত সকলো লোককে হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভূক্ত কৰি সাহায্য আগবঢ়াব পৰা যায়। বানপানীৰ ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু ক্ষতিপূৰণ সম্বন্ধীয় সকলো কাম-কাজ সন্দৰ্ভত চক্ৰ বিষয়াক ন'ডেল বিষয়া হিচাপে লৈ এক ছিংগল উইণ্ড' ব্যৱস্থাৰ জৰিয়তে কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন বিভাগ তথা সংস্থা জড়িত হৈ থাকিলে হিতাধিকাৰীসকললৈ পুঁজি আৱণ্টনৰ প্ৰক্ৰিয়া বিলম্ব হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে এছ ডি আৰ এফৰ অধীনত সকলো জৰুৰী প্ৰকল্পৰ কাম এটা বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগিব। দুটাকৈ বিত্তীয় বৰ্ষ অতিক্ৰম কৰা এছ ডি আৰ এফৰ অধীনৰ সকলো জৰুৰী প্ৰকল্পৰ কাম বন্ধ কৰি আৱণ্টিত ঠিকাসমূহ বন্ধ কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এতিয়াৰ পৰা প্ৰতি বছৰৰ ৩১ মাৰ্চৰ ভিতৰতে এনে প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ বাবে স্থায়ী নিৰ্দেশনা প্ৰদান কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে সৰ্বোচ্চসংখ্যক হিতাধিকাৰীক সাহায্য প্ৰদানৰ দিশত বিলম্ব নকৰি স্বচ্ছতা বজাই ৰাখি কাম কৰাটো বিভাগ আৰু জিলা প্ৰশাসনৰ মূল দায়িত্ব হ'ব লাগিব। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে তাৰ্পোলিন আৰু ঔষধ ইত্যাদি উপায়ুক্তসকলে আগতীয়াকৈ ক্ৰয় কৰাৰ নিৰ্দেশ জাৰি কৰিবলৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে পুঁজিৰ যাতে যথাযথ ব্যৱহাৰ সম্ভৱ হয় তাৰ বাবে প্ৰকৃত বানাক্ৰান্ত এলেকা চিনাক্তকৰণৰ বাবে চেটেলাইট মেপিং মেকানিজিমৰ সৈতে বিভাগক ডাটাৰ সাদৃশ্যকৰণৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। বানৰ ক্ষয়-ক্ষতি হ্ৰাস তথা সাহায্য যাতে বিলম্ব নকৰাকৈ প্ৰদান কৰিব পৰা যায় তাৰ বাবে বান প্ৰতিৰোধী ব্যৱস্থাসমূহ বাৰিষাৰ আগতে সক্ৰিয়ভাৱে কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জি ডি ত্ৰিপাঠীকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**১৯/০৫/২০২১**